**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

০০০০০০

১। শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন।

২। পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযানৰ তৎপৰতা বৃদ্ধি।

৩। সাদিনীয়া ৰঙালী বিহুৰ আজি শেষৰ দিনাটো চেৰা বা এৰা বিহু হিচাপে পালন।

৪। বাতৰি পৰিবেশকসকলে শব্দৰ উচ্চাৰণ, ভাষা আৰু ব্যাকৰণৰ শুদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত বুলি বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়াৰ মন্তব্য।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ আৰু ডেলহী কেপিটেলছৰ বিৰুদ্ধে গুজৰাট টাইটানছৰ জয়লাভ।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্বোধনী অনুষ্ঠানৰ বাবে তেওঁক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে শ্ৰীমোদীক অসম জৈৱ ইথানল প্ৰকল্পৰ উদ্বোধন আৰু ৫ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ গুৱাহাটী ৰিং ৰোড প্ৰকল্প তথা দৰং চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আধাৰশিলা স্থাপনৰ বাবেও প্ৰধানমন্ত্ৰীক অনুৰোধ জনায়। উল্লেখযোগ্য যে অসম জৈৱ ইথানল প্ৰকল্পত ৩০০ কে টি পি এ বাঁহক কেঁচামাল হিচাপে ব্যৱহাৰ কৰি ৪৯ কে টি পি এ ইথানল উৎপাদন কৰিব পাৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ আমন্ত্ৰণ গ্ৰহণ কৰি অসমলৈ আহিবলৈ সন্মতি প্ৰকাশ কৰিছে। এই অনুসৰি অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীগৰাকী অসমলৈ অহাৰ কথা। ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ বছৰজোৰা কাৰ্যসূচী বিশেষ জাক-জমকতাৰে পালন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই সময়ছোৱাত তেখেতৰ ৰচনাৰাজী আৰু অন্যান্য সৃষ্টিমূলক কাম-কাজৰ প্ৰচাৰৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কালিৰ এই ভ্ৰমণকালত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো সাক্ষাৎ কৰে।

০০০০০০

অহা ২ মে'ত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। শাসক-বিৰোধী সকলো নিৰ্বাচনক লৈ ব্যস্ত হৈ পৰিছে। ডিব্ৰুগড় জিলাত ইতিমধ্যে বহুকেইজন

বিজেপিৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলা পৰিষদত ৩ জন, আঞ্চলিক পঞ্চায়তত ১০ জন নিৰ্বাচিত হোৱাৰ লগতে পানীতোলা গাঁও পঞ্চায়তত দুজন ৱাৰ্ড সদস্য, লাহোৱাল গাঁও পঞ্চায়তত ১৫ জন, বৰবৰুৱাত ৯ জন, তেঙাখাটত ৩১ জন, জয়পুৰত ১৯ জন, খোৱাঙত ১৫ জন আৰু টিংখাং গাঁও পঞ্চায়ত ১২ জন ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

**তিনিচুকীয়া** জিলাৰ শদিয়া বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ সমষ্টিটোৰ বিধায়ক বলিন চেতিয়াই নিৰ্বাচনী প্ৰচাৰ চলাইছে। মিত্ৰজোঁটৰ দল হিচাপে অসম গণ পৰিষদৰ প্ৰাৰ্থীসকলেও নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে। ইপিনে কংগ্ৰেছ দলৰ উপ-সভাপতি গৌৰৱ গগৈয়ে কালি নিৰ্বাচনী প্ৰচাৰৰ মাজতে জিলাখনৰ শ্ৰীশ্ৰীমায়ামৰা বৰদিৰাক সত্ৰ ভ্ৰমণ কৰে। শ্ৰীগগৈয়ে সত্ৰাধিকাৰক সাক্ষাৎ কৰাৰ লগতে দিৰাকত অনুষ্ঠিত ৰাতি বিহু উপভোগ কৰি মৰাণসকলৰ পৰম্পৰাগত সংস্কৃতিৰ শলাগ লয় আৰু ৰাইজৰ সেৱা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি দিয়ে।

**ধেমাজি** জিলাত হ'বলগীয়া নিৰ্বাচনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ লক্ষ্যৰে জিলাখনৰ আয়ুক্তই অহা ৩০ এপ্ৰিলৰ বিয়লি চাৰে ৪ বজাৰ পৰা ২ মে'ৰ বিয়লি চাৰে ৪ বজা পৰ্যন্ত জিলাখনত সুৰা নিষিদ্ধ ঘোষণা কৰিছে। যদিহে পুনৰ ভোটদান হৈ তেনেহ'লে অহা ৪ মে'ৰ দিনটোতো সুৰা নিষিদ্ধ কৰা হ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰিছে। আনহাতে অহা ১১ মে'ৰ দিনটোত ভোটগণনা শেষ নোহোৱা পৰ্যন্ত জিলাখনত সুৰা নিষিদ্ধ কৰা হৈছে।

**যোৰহাট** জিলাৰ আয়ুক্তই কালি পঞ্চায়ত নিৰ্বাচনৰ বাবে বেলট পেপাৰ ছপা কৰিবলগীয়া ছপাশাল পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। আয়ুক্তগৰাকীৰ লগতে জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, তিতাবৰ সমজিলা আয়ুক্ত প্ৰমুখ্যে কেইবাজনো বিষয়া উপস্থিত থাকে।

অহা ৭ মে'ত **কামৰূপ** জিলাত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে শাসকীয় বিজেপি, অগপ আৰু ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে একেলগে এই নিৰ্বাচনী প্ৰচাৰ চলাইছে। কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছ দলে সুকীয়া সুকীয়াকৈ নিৰ্বাচনত অৱতীৰ্ণ হৈছে। কমলপুৰ বিধানসভা সমষ্টিৰ বিজেপিৰ বিধায়ক ভৱেশ কলিতা, পলাশবাৰীৰ হেমাংগ ঠাকুৰীয়া, হাজো-শুৱালকুছিৰ সুমন হৰিপ্ৰিয়াই দলৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিছে। তৃণমূল কংগ্ৰেছ আৰু কংগ্ৰেছ দলেও জিলাখনত নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। ইতিমধ্যে জিলাখনৰ ৬টা জিলা পৰিষদ আৰু ৪৩টা আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে।

**গোৱালপাৰা** জিলাত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত প্ৰশাসনে নিয়োগ কৰা মাগুলিক বিষয়া আৰু ছেক্টৰ বিষয়াসকলক লৈ কালি এখন সভা অনুষ্ঠিত হয়। জিলাখনৰ আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে বিষয়াসকলক নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সক্ৰিয়ভাৱে কাম কৰিবলৈ আহ্বান জনায়।

০০০০০০

ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুকে কালি অসম ভ্ৰমণ কৰি ভাৰতমালা প্ৰকল্পৰ অধীনত যোগীঘোপাত নিৰ্মীয়মান আন্তঃৰাষ্ট্ৰীয় বহুমুখী মাল্টি ম'ডেল ল'জিষ্টিক পাৰ্ক পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ভূটানৰ ৰজাগৰাকীক আদৰণি জনায়। ভাৰতমালা প্ৰকল্পৰ অধীনত নিৰ্মীয়মান পাৰ্কখনৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। পথ, ৰে'লপথ, বিমান আৰু জলপথৰ সুবিধাৰে ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমে পাৰ্কখন নিৰ্মাণ কৰি আছে। ব্ৰহ্মপুত্ৰ উপকূলত ৩১৭ একৰ ভূমি সামৰা এই প্ৰকল্পই

ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগাব। লগতে ভূটান, বাংলাদেশ প্ৰবৃতি চুবুৰীয়া দেশসমূহৰ সৈতেও ৰাজ্যৰ বাণিজ্য সূচল হৈ পৰিব। ভূটানৰ ৰজাগৰাকীয়ে এই প্ৰকল্প পৰিদৰ্শনৰ উপৰি ব্ৰহ্মপুত্ৰত নিৰ্মীয়মান অন্তঃজলপৰিবহণ বিভাগৰ প্ৰকল্পও পৰিদৰ্শন কৰে।

০০০০০০

সাদিনীয়া ৰঙালী বিহুৰ আজি শেষৰ দিনাটো চেৰা বা এৰা বিহু হিচাপে পালন কৰা হৈছে। পৰম্পৰা অনুসৰি চেৰা বিহুৰ দিনা দৈ আৰু পঁইতা ভাত খোৱা হয় আৰু বিচনীৰে জুৰ লোৱা হয়। এনেদৰে বিচনীৰে জুৰ ল'লে বছৰটোলৈ দেহা শাঁত পৰি থাকে বুলি বিশ্বাস কৰা হয়। চেৰা বিহুৰ সৈতে বিভিন্ন ৰীতি-নীতি প্ৰচলিত আছে। ৰাজ্যৰ ঠায়ে ঠায়ে আজি বিহু উৰুওৱা বা বিহু ভঙা উৎসৱ পালন কৰা হ'ব। উজনি অসমৰ কোনো কোনো স্থানত আজি পৰম্পৰা অনুসৰি ৰাইজে বৰগছৰ গুৰিত হাঁচতি আগবঢ়াই বিহু উৰুওৱাৰ প্ৰথা আছে। মাজুলীৰ কমলাবাৰী সত্ৰত আজি চেৰা বিহু উপলক্ষে পুৱাতে প্ৰসংগ শেষ হোৱাৰ পাছত গায়ন-বায়নৰ সমষ্ট প্ৰসংগ বন্ধ ৰখা হয়। তদুপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত মানুহ বিহুৰ দিনা লোৱা বিহুৱানবোৰ ধুই আজি বিহুক বিদায় দিয়া হয়।

ইপিনে নামনি অসমৰ বিভিন্ন প্ৰান্তত আজি সাতবিহু বা চেৰা বিহু উপলক্ষে সাতশাকিৰ পৰম্পৰা ৰক্ষা কৰা হয়। বিহুৰ সপ্তম দিন উপলক্ষে আজি সাতবিধ শাকৰ ভাজি খোৱা হয়। কোনো কোনো ঠাইত সাত শাক তুলিবলৈ যাওতে সাতশাকি গীত গোৱাৰো পৰম্পৰা আছে। বৰপেটা জিলাত এই পৰম্পৰা আৰু বিহু উৰুওৱা পৰ্ব সন্দৰ্ভত এয়া সত্ৰনগৰীৰ পৰা আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত–

***(ভইচ ঃ অৰূপজ্যোতি মহন্ত)***

ব'হাগ বিহুৰ পৰম্পৰাৰ অংশ হিচাপে আজি নামনি অসমৰ কোনো কোনো ঠাইত বাঁহ গোঁসাই, পাউৰাতোলা আৰু ভঠেলি উৎসৱৰ আয়োজন কৰা হৈছে। বাক্সা জিলাৰ গোৰেশ্বৰৰ বেতনাত শৰণীয়া কছাৰী জনগোষ্ঠীয়ে পৰহিৰে পৰা তিনিদিনীয়াকৈ আয়োজন কৰা বাঁহ গোঁসাই উৎসৱৰ আজি সামৰণি পৰিব। এই উৎসৱৰ অংশ হিচাপে বাঁহ গোসাঁই পূজাৰ পৰম্পৰা ৰক্ষা কৰাৰ লগতে শৰণীয়া লোক নৃত্য-গীত পৰিৱেশন কৰা হৈছে। বজালী জিলাৰ বিভিন্ন স্থানত আজি পাউৰাতোলা উৎসৱৰ আয়োজন কৰা হৈছে। পৰম্পৰা অনুসৰি এই উৎসৱৰ বাবে বাঁহ গোঁসাইক ৰং বিৰঙী বস্ত্ৰৰে সজাই এটা নিৰ্দিষ্ট স্থানলৈ লৈ আহি ৰীতি-নীতি পালন কৰা হয়। জিলাখনৰ গোবিন্দপুৰৰ শ্যামৰায় সত্ৰটো আজি এই উৎসৱ পালন কৰা হ'ব। উত্তৰ কামৰূপৰ কোনো কোনো অঞ্চলত অনুৰূপ ধৰণৰ উৎসৱ ভঠেলি হিচাপে আজি উদযাপন কৰা হ'ব। এই উৎসৱ আৰু পৰম্পৰা ৰক্ষা সন্দৰ্ভত এয়া আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰ-

***(ভইচ ঃ দামোদৰ তালুকদাৰ)***

ৰাইজে বাপতি সাহোন ৰঙালী বিহু পৰম্পৰাগতভাৱে পালন কৰাৰ লগতে ৰাজ্যৰ বিভিন্ন বিহু মঞ্চত সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিবলৈ পুৱতি নিশালৈকে জনসাধাৰণে ভিৰ কৰিছে। এনে অনুষ্ঠানত জনপ্ৰিয় শিল্পীসকলে সংগীতানুষ্ঠানেৰে দৰ্শক-শ্ৰোতাক আমোদ দিয়া পৰিলক্ষিত হৈছে। লখিমপুৰ জিলাৰ ঘিলামৰাৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ কালি প্ৰথম দিনৰ কাৰ্যসূচীত ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। এই সন্মিলনত এহেজাৰ গৰাকী বিহুৱতীয়ে বিহু নাচ পৰিৱেশন কৰে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিবেশকসকলে শব্দৰ উচ্চাৰণ, ভাষা আৰু ব্যাকৰণৰ শুদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বাতৰি প্ৰস্তুত আৰু পৰিবেশন কৰা প্ৰয়োজন বুলি বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াই মন্তব্য কৰিছে।

শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ কালি প্ৰচাৰিত বিশেষ দৃষ্টিপাত অনুষ্ঠানত ড° শইকীয়াই এই মন্তব্য কৰে। তেওঁ লগতে শব্দ বা বাক্য লিখাৰ ক্ষেত্ৰত খোকোজা দূৰ কৰাৰ বাবে এখন হাতপুথি প্ৰস্তুত কৰাৰ পোষকতা কৰে। শিক্ষাবিদগৰাকীয়ে উত্থাপন কৰা উজনি অসমৰ বাতৰি প্ৰসংগত আকাশবাণী বিভাগৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে খুদুৱনি দূৰ কৰে।

*(বাইট ঃ ড° নগেন শইকীয়া)*

অনুষ্ঠানটোত আকাশবাণীৰ প্ৰাক্তন বিষয়া তথা বিশিষ্ট শিক্ষাবিদ ড° কৰুণামোহন শৰ্মাইও বাতৰি বিভাগৰ কেইবাটাও অনুষ্ঠানৰ প্ৰসংগ উল্লেখ কৰি সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে বাতৰি পৰিবেশকসকলক অনুশীলন কৰিবলৈ পৰামৰ্শ দিয়ে। কেইবাগৰাকীও শ্ৰোতা আৰু বিশিষ্ট ব্যক্তিয়ে নিজৰ মতামত ব্যক্ত কৰা এই অনুষ্ঠানত শ্ৰোতাসকলে ফোনযোগে অংশ লৈ বিভিন্ন পৰামৰ্শ আৰু অভিমত আগবঢ়ায়।

বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে - ৰাজস্থান ৰয়েলছক দুই ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৮১ ৰাণৰ লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৭৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে সৰ্বাধিক ৭৪ ৰান কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ হৈ আৱেশ খানে ৩টা উইকেট দখল কৰে। শ্বাৰ্দুল ঠাকুৰ আৰু এডেন মাৰ্কৰমে এটাকৈ উইকেট লাভ কৰে। আৱেশ খানক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে টছক জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৮০ ৰাণ সংগ্ৰহ কৰে। লক্ষ্ণৌৰ হৈ এডেন মাৰ্কমে ৬৪ আৰু আয়ুষ বদ'নীয়ে ৫০ ৰান কৰে।

কালিৰ আন এখন খেলত গুজৰাট টাইটানছে দেলহি কেপিটেলছক ৭ উইকেটত পৰাস্ত কৰে। গুজৰাট টাইটানছে ২০৪ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত ৩টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। গুজৰাটৰ হৈ জছ বাটলাৰে ৫৪ টা বলত ৯৭ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে দেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ২০৩ ৰাণ কৰে। এই জয়ৰ সুবাদত গুজৰাট টাইটানছ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হৈছে। দেলহি কেপিটেলছ দ্বিতীয় স্থানত আছে।

প্ৰতিযোগিতাত আজি দুখন খেল খেলোৱা হ'ব। বিয়লি চাৰে ৩ বজাত চণ্ডিগড়ত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত মুম্বাই ইণ্ডিয়ানছ, চেন্নাই ছুপাৰ কিংছৰ সন্মুখীন হ'ব।

০০০০০০

অহা ৮ ছেপ্তেম্বৰত আৰম্ভ হ'বলগীয়া বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ অনুষ্ঠান উদ্বোধনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মুখ্যমন্ত্ৰীৰ আমন্ত্ৰণ, ভূটানৰ ৰজা জিগমে খেছৰ নামগিয়াল ৱাংচুকৰ যোগীঘোপাত ল'জিষ্টিক পাৰ্ক আৰু জল পৰিবহনৰ টাৰ্মিনেল পৰিদৰ্শনকে ধৰি কেইবাটাও বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত ভিন্ন শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৰাজ্যৰ ভালেসংখ্যক ক্ষুদ্ৰ ঠিকাদাৰে প্ৰাপ্য বিলৰ ধন লাভ নকৰি সংকটৰ সন্মুখীন হোৱা বুলি এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে **দিছপুৰতে ক্ষুদ্ৰ ঠিকাদাৰৰ হাহাকাৰ ঃ দুবছৰে অনাদায় ১০০ কোটি** শিৰোনামেৰে প্ৰকাশ কৰিছে। কাকতখনে ছুইডেনৰ এটা প্ৰতিষ্ঠানৰ প্ৰতিবেদনত বিশ্ব শৈক্ষিক স্বাধীনতা সূচকাংকত ভাৰতৰ স্থান ১৫৬ লৈ অৱনমিত হোৱা বুলি এটা বাতৰিও প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দৈনিক অসম** কাকতে এম জি এনৰেগা, প্ৰধানমন্ত্ৰী আৱাস যোজনা ৰূপায়ণত অসম চৰকাৰ ব্যৰ্থ হোৱা বুলি এটা বাতৰি **২৪ হাজাৰকহে ১০০ দিনৰ কাম** শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৰাজ্যত ৫ লাখ ৬৩ হাজাৰ ১৬৮টা নিষ্পত্তিবিহীন গোচৰ থকা বুলি এটা গুৰুত্বপূৰ্ণ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ মালয়েছিয়াই কোৱালালামপুৰৰ মাটা মেলাত অংশ লৈ আছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী কৰা সন্দৰ্ভত কৰা মন্তব্যৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰি **অসমীয়া খবৰ** কাকতেও ভিন্ন শিৰোনামেৰে প্ৰকাশ কৰিছে।

ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত বন ঘৰচীয়া ঘোঁৰাৰ সংখ্যা হ্ৰাস পোৱা সন্দৰ্ভত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে অসম চৰকাৰক প্ৰতিবেদন দাখিলৰ সময় পুনৰ দুসপ্তাহ বৃদ্ধি কৰা বাতৰিটো **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইউ পি আইৰ জৰিয়তে দৈনিক দুহেজাৰ টকাৰ ওপৰৰ ডিজিটেল লেনদেনৰ ক্ষেত্ৰত ১৮ শতাংশ জি এছ টি আৰোপৰ বাবে কেন্দ্ৰীয় চৰকাৰক এখন ব্যক্তিগত ফাৰ্মে দিয়া প্ৰস্তাৱৰ বাতৰি **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

ডোনাল্ড ট্ৰাম্পৰ প্ৰতি শুল্ক আৰোপৰ সৈতে মোকাবিলা কৰিবলৈ চীনে ভাৰতীয় পণ্যৰ বাবে বজাৰ মুকলি কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

বাংলাদেশত হিন্দু ধৰ্মীয় নেতা ভৱেশ চন্দ্ৰ ৰয় হত্যাৰ আঁত ধৰি এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰি মাজলৈ ঘূৰি আহো ......।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা

সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মিজোৰাম, অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে অসম, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো ঠাইত ধূলিৰ বতাহৰ লগতে বিজুলী-ঢেৰেকনিৰে বৰষুণ হ'ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।      ০০০০০০০

০০০০০০

সমাপ্ত